# খোতবা জুমা

**ছৈয়দেনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ২৬ফেব্ৰুৱাৰীত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা বদৰি চাহাবী হজৰত উচমান (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলী সম্পৰ্কে ঈমান বৰ্দ্ধক ঘটনাৱলীৰ চমু বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয়,হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত সংগঠিত হোৱা যুদ্ধ আৰু তাৰ বিজয় সম্পৰ্কে বৰ্ণনা চলি আছিল। আজিও সেই বিষয়েই বৰ্ণনা কৰা হ'ব। আলি বিন মহম্মদ মাদায়নি বৰ্ণনা কৰিছে যে হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত হজৰত ছঈদ বিন আচ (ৰাঃ)য়ে চন ৩০ হিজৰীত তিব্ৰি স্থানৰ দুৰ্গ জয় কৰিছিল। এনেদৰে ৩১ হিজৰীতেই ছোৱাৰীৰ যুদ্ধত জয়লাভ কৰিছিল। চন ৩১ হিজৰীত আৰ্মেনীয়া বিজয় হৈছিল। ৩১ হিজৰীতেই মুছলমান সকলে খোৰাচান বিজয় কৰিছিল। হজৰত আব্দুল্লাহ বিন আমৰ খোৰাচানলৈ যাত্ৰা কৰিছিল আৰু তেখেত আব্ৰাহা চহৰ তুছ,আবি ৱৰাদ আৰু নাছাহক জয় কৰি ছৰখছলৈ গৈ পাইছিল। ৩২ হিজৰীত ৰোম চহৰলৈ যাত্ৰা কৰা হৈছিল। চন ৩২ হিজৰীত আমিৰ মোৱাবিয়ায় ৰোমৰ সৈতে যুদ্ধ কৰি কছতানতানিয়া(কনষ্টাণ্টিনোপল) ৰ দুৱাৰ মুখত গৈ উপস্থিত হৈছিল।

আবুল আছব ছাআদীয়ে নিজৰ দেউতাকৰ পৰা শুনি বৰ্ণনা কৰিছে যে আহনব বিন কায়েছ মৰোৰুজ,তালকান, ফাৰইয়াৰাব আৰু যোজাজানৰ বাসিন্দা সকলৰ লগত ৰাতিৰ এন্ধাৰতও যুঁজ চলাই গৈছিল। অৱশেষত আল্লাহ তা'লাই শত্ৰু সকলক পৰাজয়ৰ মুখ দেখুৱাইছিল। বালাখৰ বিজয় ৩২ হিজৰীত হৈছিল। আহনব বিন কায়েছে মৰোৰুজৰ পৰা বালাখলৈ গৈ সেই ঠাইৰ বাসিন্দা সকলক ঘেৰাও কৰিছিল। চন ৩২ হিজৰীত হৰাতৰ যুদ্ধ সংগঠিত হৈছিল। হজৰত উচমান (ৰাঃ)য়ে খালিদ বিন আব্দুল্লাহ বিন হানফিক হৰাত আৰু বাজগিছ আক্ৰমণ কৰিবলৈ পঠাইছিল। এখেতে উক্ত ঠাই দুখন জয় কৰিছিল।

হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত বৰৰেছগিৰ পাক আৰু হিন্দলৈ ইছলাম পৌছাই গৈছিল। মিচৰ আৰু ছিৰিয়া (স্বাম) হজৰত উমৰ (ৰাঃ)ৰ সময়তে বিজয় হৈছিল আৰু আফ্ৰিকা,খোৰাচান আৰু ছিন্দৰ কিছুমান অঞ্চল হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত বিজয় হৈছিল। হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত হজৰত আব্দুল্লাহ বিন মোৱামৰৰ নেতৃত্বত এটা সৈন্যদল মকৰান আৰু ছিন্দলৈ প্ৰেৰণ কৰিছিল। মকৰান বিজয়ৰ সময়ত এখেতে বৰ

বীৰত্ব প্ৰদৰ্শন কৰিছিল। ইয়াৰ পিছত সেই বিজয় অঞ্চলৰ শাসনৰ ভাগডোৰ এখেতৰ হাতত আহিছিল। হজৰত মজাশি বৰ্তমান আফগানিস্থানৰ দাৰুল হুকুমত কাবুলত ইছলামী ফৌজৰ নেতৃত্ব লৈ ইছলামৰ বিৰুদ্ধবাদী সকলৰ লগত জিহাদ কৰিছিল। হজৰত মজাশি হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত পাকিস্তানৰ এখন ৰাজ্য বেলোচিস্থানত ইছলামৰ বিৰুদ্ধবাদী সকলৰ লগত যুদ্ধ কৰিছিল আৰু ইয়াৰে জৰিয়তে সেই অঞ্চলৰ ছুজি স্থানত বিজয় পতাকা উৰুৱাইছিল। ইয়াৰ পিছত মুছলমান সকলে বৰছা গিৰৰ সেই অঞ্চল সমূহত থাকিবলৈ লৈছিল আৰু সেই ঠাইখনক নিজৰ বাসস্থান হিচাপে আখ্যা দিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত হ'বলগীয়া বিবাদ সম্পৰ্কে আঁ-হজৰত (ছাঃ)য়ে এক ভৱিষ্যতবাণীও কৰিছিল।

হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে নবী কৰিম (ছাঃ)য়ে কৈছে- হে উচমান হ'ব পাৰে যে আল্লাহ তা'লা তোমাক এটা পিৰহান পিন্ধাব। যদি লোকে তোমাক সেই পিৰহান খুলি দিবলৈ কয় তেন্তে তুমি তেওঁলোকৰ কথা অনুযায়ী সেয়া কেতিয়াও খুলি নিদিবা।

হজৰত কাআব বিন আজৰাহ বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে এটা বিবাদ সংগঠিত হ'ব বুলি উল্লেখ কৰিছিল আৰু কৈছিল যে সেয়া অতি ওচৰত। এনেতে সেই ফালেদি এজন লোক নিজৰ মূৰটো ঢাকিলৈ পাৰ হৈ গৈছিল। ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে এইজন ব্যক্তি সেইদিনাখন হিদায়তৰ ওপৰত থাকিব। ৰাবী (বৰ্ণনা কৰোঁতা) কৈছে যে দৌৰ মাৰিছিলো আৰু সেই ব্যক্তিজনক ধৰিছিলোঁ,তেতিয়া দেখিছিলো যে সেইজন উচমান হয়। হজৰত আয়শা (ৰাঃ)বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে নিজৰ বেমাৰ চলি থকা অৱস্থাত কৈছিল যে মই বিচাৰো যে মোৰ ওচৰত কিছুমান চাহাবা সকলে থাকক। আমি নিবেদন কৰিছিলোঁ ইয়া ৰছুলুল্লাহ (ছাঃ) আমি আপোনাৰ ওচৰলৈ আবু বক্কৰক মাতি আনিম নে ? তেখেত (ছাঃ)য়ে মনে মনে থাকিল। আকৌ আমি সুধিছিলোঁ যে কিয়! আমি আপোনাৰ ওচৰলৈ উমৰক মাতি আনিম নে ? তেতিয়াও তেখেত (ছাঃ)য়ে মনে মনে থাকিল। ইয়াৰ পিছত আমি কৈছিলো, আমি আপোনাৰ ওচৰলৈ উচমানক মাতি আনিম নে ? তেখেত (ছাঃ)য়ে কৈছিল হয়। লৈ আনা। ইয়াৰ পিছত হজৰত উচমান (ৰাঃ)য়ে আহিছিল আৰু আঁ-হজৰত (ছাঃ)য়ে তেখেতৰ লগত নিৰ্জনে সাক্ষাৎ কৰি কথা পাতিছিল। তেতিয়া উচমানৰ মুখাবয়বৰ ৰং সলনি হ'বলৈ লৈছিল। কায়েছে কৈছে যে হজৰত উচমান বিন আফফান ইয়াওমুলদ্দাৰৰ সময়ত বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে মোক এটা বৰ প্ৰয়োজনীয় আদেশ দিছিল আৰু সেই ফালেই গৈ আছো। اَنَا صَابِرٌ عَلَيْهِ মই তাৰ ওপৰত দৃঢ় প্ৰতিষ্ঠিত আছো। ইয়াওমুল দ্দাৰ বুলি সেই দিনটোক বুজোৱা হয়,যিদিনাখন হজৰত উচমান (ৰাঃ)ক মুনাফিক সকলে তেখেতৰ ঘৰতে আবদ্ধ (ঘেৰাও) কৰি ৰাখিছিল আৰু শেষত নিৰ্মম ভাৱে শ্বহীদ কৰি দিছিল।

হজৰত উচমান (ৰাঃ)ৰ খিলাফৎ কালত মতানৈক্যৰ আৰম্ভণী আৰু তাৰ কাৰণ সম্পৰ্কে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে,হজৰত উচমান (ৰাঃ)আৰু হজৰত আলি (ৰাঃ) এই দুয়োজন ব্যক্তি ইছলামৰ প্ৰাথমিক ফিদাই (আকৰ্ষক) সকলৰ মাজত আছিল আৰু এখেত সকলৰ লগৰীয়া সকলেও ইছলামৰ উত্তম আৰু সৰ্বোৎকৃষ্ট ফলৰেই ফল আছিল। গতিকে তেখেত সকলৰ ঈমানদাৰী আৰু তাকৱাৰ ওপৰত অপবাদ জাপি দিয়াটো ইছলামৰ ফালে শত্ৰুতা ভাৱপন্ন হোৱা হ'ব। আৰু যিজন মুছলমানে প্ৰকৃত সজ অন্তৰেৰে এই সত্যৰ ওপৰত চিন্তা কৰিব, তেওঁ এই ফলাফলৰ ওপৰত উপনীত হ'ব লাগিব যে তেখেত সকলৰ ব্যক্তিত্ব পক্ষই সকলো ধৰণৰ পঙ্কিলতাৰ উৰ্দ্ধত আছিল। এই সকল বুজুৰ্গ আৰু তেওঁলোকৰ লগৰীয়া সকলৰ বিষয়ে যিমানদুৰ মোৰ জ্ঞান আছে; মই জানো

তেখেত সকলৰ বিৰুদ্ধে কৰা সকলো বৰ্ণনা শত্রু সকলৰ কাৰুকাৰ্য্য। প্ৰশ্ন হ'ল এয়া যে হজৰত আয়শা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে নবী কৰিম (ছাঃ)য়ে কৈছে,হে উচমান বিবাদৰ উদ্ভৱ কৰ পৰা হৈছিল। কিছুমানে কয় যে হজৰত উচমান (ৰাঃ)য়ে কিছুমান ক্ষেত্ৰত বিদাআতি কাম কৰিবলৈ আৰম্ভ কৰিছিল যাৰ ফলত মুছলমান সকলৰ মাজত উত্তেজনাৰ সৃষ্টি হৈ পৰিছিল। আন কিছুমানে কয় যে হজৰত আলি (ৰাঃ)য়ে খিলাফৎ কাঢ়ি লোৱাৰ বাবে গোপনে য়ড়যন্ত্ৰ আৰম্ভ কৰিছিল,আৰু হজৰত উচমান (ৰাঃ)ৰ বিৰুদ্ধে আন্দোলনৰ জন্ম দি তেখেতক হত্যা কৰোৱায় যাতে নিজে খলিফা পদত অধিষ্ঠিত হ'ব পাৰে। কিন্তু এই দুয়োটা কথাই মিছা (অপবাদ) আচলতে সেই বিবাদৰ মূলতে বেলেগ কাৰণহে আছিল। হজৰত উচমান (ৰাঃ)আৰু হজৰত আলি (ৰাঃ)ৰ আচলতে সকলো ধৰণৰ দোষৰ পৰা সম্পূৰ্ণ ৰূপে পৱিত্ৰ আছিল। তেখেত দুয়োজন বাৰুকৈয়ে পৱিত্ৰচেতা মানৱ আছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত উচমান (ৰাঃ)ৰ খিলাফতৰ আৰম্ভনীৰ পৰা ছয় বছৰৰ ভিতৰত কোনো ধৰণৰ বিবাদ উৎপত্তি হোৱা দেখা নাযায় বৰং অনুমান হয় যে তেতিয়াৰ লোক সকলে হজৰত উচমান (ৰাঃ)ৰ ওপৰত ভালেই সন্তুষ্ট আছিল। কিন্তু ছয় বছৰ কাল অতিক্ৰম হৈ যোৱাৰ পিছত সপ্তম বছৰটোত এটা তেহেৰিকৰ উদ্ভৱ হোৱা দেখা যায়। কিন্তু সেই তেহেৰিক (অভিযান) হজৰত উচমান (ৰাঃ) ৰ বিৰুদ্ধে নাছিল বৰং সেয়া কিছুমান চাহাবা সকলৰ বিৰুদ্ধে অথবা কিছুমান গভৰ্নৰ সকলৰ বিৰুদ্ধেহে আছিল। গতিকে তিব্ৰি বৰ্ণনা কৰিছে যে হজৰত উচমান (ৰাঃ)য়ে লোকৰ অধিকাৰৰ ফালে চোকা দৃষ্টি ৰাখিছিল কিন্তু সেই বিলাক লোক যি সকলে ইছলামী কাৰ্য পৰিচালনাত আগ ভাগ ল'ব নোৱাৰিছিল, আৰু প্ৰথম যুগৰ মুছলমান সকলৰ দৰে মেল মিটিংত সন্মান লাভ কৰিব পৰা নাছিল আৰু ধন মালতও সমান সমান অধিকাৰ লাভ কৰিব পৰা নাছিল; তেওঁলোকে এই সকলো বিলাক বিষয়ৰ ওপৰত আপত্তি উত্থাপন কৰিবলৈ আৰম্ভ কৰে আৰু এই বিলাক অন্যায় ভাৱে চলি থকা বুলি দাবী কৰে। কিন্তু এই শ্ৰেণীৰ লোক সকলে মুছলিম নেতৃবৰ্গক ভয় কৰিছিল,যাৰ ফলত এই লোক সকলে মনে মনে বিৰুদ্ধচাৰণ আৰম্ভ কৰিছিল কিন্তু নিজৰ দাবী বিলাক প্ৰকাশ কৰা নাছিল। ইয়াৰ বিপৰীতে তেওঁলোকে গোপনে গোপনে চাহাবা সকলৰ বিৰুদ্ধে মানুহক কুমন্ত্ৰণাৰে আবেগিক কৰি তুলিছিল। লাহে লাহে এই দলটো সংখ্যাত বাঢ়ি গৈ আছিল আৰু অৱশেষত এক ডাঙৰ সংখ্যাৰ লোক এই দলটোত আহি যোগ দিছিল। এইবোৰ বিদ্ৰোহ গোপন দলযন্ত্ৰৰ মূলতে উদ্ধৱ হৈছিল। এইবোৰৰ উদ্যেক্তা আছিল ইহুদী সকল। এওঁলোকৰ লগত আত্মসাৎ কৰা কাৰ্যত লিপ্ত হোৱা কিছু মুছলমান, যিসকলে ইছলামৰ পৰা ওলাই গৈছিল; তেওঁলোকেও আহি মিলি গৈছিল। গতিকে কোফা নগৰত এই সকল বিদ্ৰোহী লোকৰ এখন সভা অনুষ্ঠিত হৈছিল তাত জনমত গঠন হৈছিল যে কোনো ব্যক্তিয়ে সেই সময়লৈকে এই কামত আত্ম প্ৰকাশ কৰিব নোৱাৰে যেতিয়ালৈকে হজৰত উচমান (ৰাঃ)ৰ শাসন চলিব। হজৰত উচমান (ৰাঃ)য়েই আছিল একমাত্ৰ ব্যক্তি যিজনে সকলোকে বুজনি দি শাম কটাই ৰাখিছিল। তেখেতক মাজৰ পৰা আঁতৰাই দিয়াটো স্বাধীন ভাৱে নিজৰ ইচ্ছা পূৰণাৰ্থে প্ৰয়োজন হৈ পৰিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত উচমান (ৰাঃ)য়ে সেই বিদ্ৰোহী সকলক মাতি আনিছিল আৰু আঁ-হজৰত (ছাঃ)ৰ চাহাবা সকলক মাতি এঠাইত গোট খুৱাইছিল আৰু তেওঁলোকক সকলো সমস্যা শুনাই কৈছিল যে বিদ্ৰোহী সকলে কিবা বিদ্ৰোহ কৰাৰ চেষ্টা চলাই আছে। এয়া শুনি সকলো চাহাবা সকলে ফতোৱা দিয়ে যে তেওঁলোকক হত্যা কৰি পেলোৱা হওঁক কাৰণ ৰছুলে কৰিম (ছাঃ)য়ে কৈছে যে যিজন ব্যক্তিয়ে এনে সময়ত যে এজন ইমাম বৰ্তমান আছে আৰু তেওঁ নিজৰ আনুগত্য অথবা অইন কাৰোবাৰ আনুগত্য কৰিবলৈ লোকক আহ্বান কৰে,তাৰ ওপৰত খোদা তা'লাৰ অমঙ্গল বৰ্ষিত হওঁক, তোমালোকে এনেকুৱা ব্যক্তিক হত্যা কৰি পেলোৱা

তেওঁ যিজনাই হওঁক কিয়। হজৰত উচমান (ৰাঃ)য়ে চাহাবা সকলৰ এই ফতোৱা শুনি কৈছিল যে নহয়! আমি তেওঁলোকক ক্ষমা কৰি দিব লাগিব আৰু সিহঁতৰ অভিযোগ সমূহ গ্ৰহণ কৰিব লাগিব আৰু নিজৰ সকলো চেষ্টাৰে তেওঁলোকক বুজাব লাগিব আৰু আমি কোনো ব্যক্তিৰেই বিৰোধীতা নকৰো, যেতিয়ালৈকে তেওঁলোকে কোনো (আইন) পৰিলঙ্ঘন নকৰে অথবা কুফৰী প্ৰকাশ নকৰে।

হজৰত উচমান (ৰাঃ)য়ে চাহাবা সকলক কৈছিল এই লোক সকলে কয় যে তেওঁলোকে ভ্ৰমণ কালত সম্পূৰ্ণ নমাজ পঢ়ি লয়, য'ত ৰছুলুল্লাহ (ছাঃ)য়ে ভ্ৰমণ কালত নমাজ কছ্ৰ (চমু) কৰিছিল। কিন্তু মই কেৱল মিনাতহে সম্পূৰ্ণ নমাজ পঢ়িছো, ইয়াৰও দুটা কাৰণ আছে, প্ৰথম হ'ল এয়া তাত মোৰ সম্পত্তি আছিল, আৰু মই তাত বিয়া কৰাইছিলো। দ্বিতীয়তে হ'ল এয়া যে মোৰ অনুমান হৈছিল যে উক্ত দিনবোৰত চাৰিওফালৰ পৰা লোকে হজ কৰিবলৈ আহে,তাৰে কিছুমান অনভিজ্ঞ লোকে ভাৰি ল'ব যে খলিফাই দুই ৰাকাত নমাজ পঢ়িছে; এই কাৰণে নমাজ দুই ৰাকাতেই হ'ব। কিয়! কথাটো শুদ্ধ নহয়নে ? চাহাবা সকলে উত্তৰ দিছিল যে হয়। এয়া শুদ্ধ। আকৌ হজৰত উচমান (ৰাঃ)য়ে কৈছিল আন এটা দোষাৰোপ কৰে যে মই হাবি (গছ বন কাটিবলৈ নিষেধ থকা অৰণ্য) নিৰ্ধাৰণ কৰি আজ্ঞা জাৰি কৰিছোঁ। অৱশ্যে এয়া ভুল দোষাৰোপ কৰা হৈছে। এনে হাবি মোৰ আগতেই হজৰত উমৰ (ৰাঃ)য়ে নিৰ্ধাৰণ কৰিছে। মই কেৱল ছাদকাত দিয়া উটৰ অন্যায়ৰ বাবে এয়া বৃদ্ধি (বিস্তাৰ) কৰিছোঁ আৰু এই হাবিবোৰত যিখিনি ঠাই আগুৰি লোৱা হৈছে, সেয়া কাৰো ব্যক্তিগত  সম্পত্তি নহয়, এয়া চৰকাৰী জমিন হয়। আনহাতে তাত মোৰ কোনো ধৰণৰ লাভও নাই। কিয়! এয়া সঁচা নহয়নে ? চাহাবা সকলে উত্তৰ দিছিল হয়। হাকিম (বিচাৰপতি) বনাইছা। আচলতে মই তেনেকুৱা লোকক হাকিম বনাইছো, যিয়ে সজ চৰিত্ৰবান আৰু পৰিত্ৰ গুণাৱলীৰ অধিকাৰী। এনেদৰে ৰছুলে কৰিম (ছাঃ)ৰ ওপৰত উছামা বিন জায়েদক সৈন্য বাহিনীৰ নায়ক পাতি দিয়াত ইযাতকৈ বেছি আপত্তি তোলা হৈছিল। যিবোৰ এতিয়া মোৰ ওপৰত জাপি দিয়া হৈ আছে। কিয়! সঁচা নহয়নে ? চাহাবা সকলে উত্তৰ দিছিল হয়! এয়া সঁচা। মুঠতে এনেদৰে হজৰত উচমান (ৰাঃ)য়ে সকলো অভিযোগৰ এটা এটাকৈ বৰ্ণনা কৰি তাৰ উত্তৰ প্ৰদান কৰিছিল।

তাতে চাহাবা সকলে বৰাবৰ জোৰ দি আহিছিল যে তেওঁলোকক হত্যা কৰা হওঁক। কিন্তু হজৰত উচমান (ৰাঃ)য়ে চাহাবা সকলৰ এই কথা মানি লোৱা নাছিল। আৰু তেওঁলোকক এৰি দিছিল। এই ঘটনাৰ পৰা অনুমান কৰিব পৰা যায় যে মুফছিদ (ফাছাদকাৰী) সকলে কেনে ধৰণৰ ঠগ প্ৰবঞ্চনাৰ মাজেৰে কাম কৰিছিল। যিহেতু সেই যুগত প্ৰেছ,মিডিয়া,আৰু ভ্ৰমণৰ সিমান সুবিধা  নাছিল যি বৰ্তমান হৈছে। সেই যুগত অনভিজ্ঞ লোকক পথভ্ৰষ্ট কৰিবলৈ কিমান সহজ আছিল। আচলতে সেই (বিদ্ৰোহী) লোক সকলৰ ওচৰত বিবাদ কৰিবলৈ কোনো ধৰণৰ উপযুক্ত কাৰণ নাছিল। নে হ'ক (হত্য) সিহঁতৰ লগত আছিল, নে তেওঁলোকে সত্যৰ ওপৰত প্ৰতিষ্ঠিত আছিল। তেওঁলোকৰ সকলো কাৰ্যৰ মূল আধাৰ মিছা আৰু বাতিনৰ ওপৰত প্ৰতিষ্ঠিত আছিল। একমাত্ৰ হজৰত উচমান (ৰাঃ)ৰ দয়ালু স্বভাৱৰ কাৰণে সিহঁতে ৰক্ষা পাইছিল। নহলে মুছলমান সকলে সিহঁতক কাটি টুকুৰা টুকুৰ কৰিলেহেঁতেন। চাহাবা সকলে দেখিছিল যে এনেকুৱা লোকক অতি সোনকালে শাস্তি নিদিলে ভৱিষ্যতলৈ ইছলামী শাসন ওলট-পালট হৈ যাব কিন্তু হজৰত উচমান (ৰাঃ)য়ে দয়াৰ মূৰ্ত্তমান প্ৰতীক আছিল, তেখেতে বিচাৰিছিল যে যেনেকৈয়ে নহওঁক কিয়! তেওঁলোকে হিদায়ৎ লাভ কৰিব পাৰে যেন আৰু কাফিৰ অৱস্থাত যেন মৃত্যু বৰণ নকৰে। হজৰত উচমান (ৰাঃ)ৰ দয়া আৰু সহানুভূতি তেওঁলোকে দেখিছিল আৰু প্ৰত্যেকজনৰ অন্তৰেই ইয়াৰ ওপৰত সাক্ষী দিছিল যে এই ব্যক্তিৰ উদাহৰণ আজি পৃথিৱীৰ প্ৰেক্ষাপটত পাবলৈ নাই যে এনেকুৱা দয়া প্ৰদৰ্শন কৰে।  কিন্তু সেই লোক

সকলে (বিদ্ৰোহী লোক সকলে) নিজকে পাপৰ পৰা তৌবা কৰি লোৱাৰ সলনি হিংসা আৰু ক্ৰোধান্বিত আৰু বেছিকৈ জ্বলিবলৈ আৰম্ভ কৰে আৰু নিজৰ নিৰুত্তৰ হোৱাৰ,নিজৰ অপমান আৰু হজৰত উচমানৰ দয়া আৰু ভদ্ৰ আচৰণ দেখিও ভৱিষ্যতলৈ নিজৰ ষড়যন্ত্ৰ ৰচনা কৰাৰ চিন্তা মনত লৈ তাৰ পৰা ওভতি যায়। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই বৰ্ণনাৰ ধাৰাবাহিকতা ইনশা আল্লাহ্ আগলৈ চলিব।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম আব্দুল কাদিৰ চাহাব বশিৰ আহমদ শ্বহীদ মকৰম আকবৰ আলি চাহাব, (কয়েদী) ৰাহে মাউলা,মকৰম খালিদ মাহমুদ হাচান ভট্টি চাহাব, আৰু মকৰম মোবাৰক আহমদ তাহিৰ চাহাব (মশিৰ কানুনী) ছদৰ আঞ্জুমান আহমদীয়া ৰাবোৱা)ৰ কল্যাণ কামনা কৰি তেওঁলোকৰ বাবে দোৱায়ে মাগফিৰাত পাঠ কৰি নমাজে জুমাৰ পিছত মৰহুমিন সকলৰ নমাজে জানাজ গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 26 FEBRUARY 2021**

## BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................
..................................................................................................................................
..................................................................................................................................
..................................................................................................................................
..................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**